# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :12**-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দুদিনীয়া অসম ভ্ৰমণৰ সময়ত ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ইৰানৰ বৈদেশিক মন্ত্ৰী চৈয়দ আববাছ্ আৰাঘাচিয়ে ভাৰতৰ জাহাজ চলাচল আৰু শক্তিৰ সুৰক্ষা বিষয়ত আলোচনা কৰে।

৩। ২০২৫-২৬ বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত লোকসভাত আলোচনা অনুষ্ঠিত হয়।

৪। ভাৰতৰ খুচুৰা মুদ্ৰাস্ফীতি চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত তিনি দশমিক দুই এক শতাংশলৈ বৃদ্ধি হয়।

*আৰু*

৫। বিশ্ব পেৰা এথলেটিক্স গ্ৰেণ্ড প্ৰী ২০২৬ৰ কালি উদ্বোধনীৰ দিনা ভাৰতীয় এথলিট সকলে সুন্দৰ আৰম্ভণি কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

প্ৰধানমন্ত্ৰী মোদী ইয়াৰ পাছত সন্ধিয়াৰ ভাগত গুৱাহাটীলৈ আহি কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ পশ্চিম কাৰ্বি আংলঙৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে গুৱাহাটীত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ আন কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানতে তেওঁ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই আঁচনিৰ অধীনত দেশৰ প্ৰায় ৯ কোটি ৩২ লাখ কৃষকৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰযোগে ১৮ হাজাৰ ৬৬০ কোটি টকা প্ৰেৰণ কৰিব। শ্ৰীমোদীয়ে পৰহিলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ পশ্চিমবংগ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰায় ১৮ হাজাৰ ৬৮০ কোটি টকা মূল্যৰ ভালেমান প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৰাজ্যখনত প্ৰায় ১৬ হাজাৰ

৯৯০ কোটি টকাৰ ৪২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ বাবে ব্যয় কৰা হ'ব। শ্ৰী মোদীয়ে লগতে জাহাজ আৰু বন্দৰৰ লগত জড়িত তেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে পুৰুলীয়া-আনন্দবিহাৰ টাৰ্মিনেল এক্সপ্ৰেছ ৰে'ল গাড়ীৰ প্ৰতাকা জোকাৰি যাত্ৰাৰ শুভাৰম্ভ কৰিব। অমৃত ষ্টেচন আঁচনিৰ অধীনত তেওঁ ৰাজ্যখনত পুনৰ নিৰ্মাণ কৰা ছটা ৰেলৰে ষ্টেচেন মুকলি কৰিব। শ্ৰী মোদীয়ে লগতে বেলদা আৰু ডনটনৰ মাজৰ ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ তৃতীয়টো ৰে'ল লাইন ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰিব। ইয়াৰ উপৰি কালাইকুণ্ডা আৰু কানিমহুলিৰ মাজত স্বয়ংক্ৰিয় সংকেট ব্যৱস্থা মুকলি কৰিব।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ইৰানৰ বৈদেশিক মন্ত্ৰী চৈয়দ আববাছ আৰাঘাচিয়ে ভাৰতৰ জাহাজ চলাচল আৰু শক্তিৰ সুৰক্ষা বিষয়ত আলোচনা কৰে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰনধিৰ জয়ছোৱালে কয়, যে মন্ত্ৰী দুগৰাকীয়ে বিগত কেইটামান দিনত তিনিবাৰ বাৰ্তালাপত মিলিত হয়। শ্ৰী জয়ছোৱালে জানিবলৈ দিয়ে যে প্ৰায় ৯ হাজাৰ ভাৰতীয় নাগৰিক ইৰানত আছে আৰু ভাৰত চৰকাৰে তেহৰানৰ পৰা আন সুৰক্ষিত স্থানলৈ ভালেমান নাগৰিকক স্থানান্তৰিত কৰিছে। তেওঁ লগতে কয়, যে ভিছা থকা যিসকল ভাৰতীয়ই আজাৰবাইজান আৰু আৰ্মেনিয়াৰ সীমান্তইদি দেশ দুখনলৈ যাব বিচাৰে তেওঁলোকক প্ৰয়োজনীয় সহায় কৰা হ'ব। যাতে তেওঁলোকে দেশ দুখনৰ পৰা বিমানৰ জৰিয়তে আন ঠাইলৈ যাব পাৰে। মুখপাত্ৰ গৰাকীয়ে জানিবলৈ দিয়ে যে মধ্য প্ৰাচ্যৰ সংঘাটৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাৰস্য অঞ্চলৰ ভালেমান নেতাৰ সৈতে কথা পাতে। শ্ৰী মোদীয়ে অঞ্চলটোলৈ অচিৰেই শান্তি ঘূৰাই অনাৰ বাবে কূটনৈতিক আলোচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী জয়ছোৱালে লগতে কয়, যে এই সংঘাটৰ সময়ত যাতে কোনো অসামৰিক লোক হতাহত নহয় সেই দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। বাংলাদেশলৈ পেট্ৰ'লিয়ামজাত সামগ্ৰী সৰবৰাহ কৰা সন্দৰ্ভত তেওঁ কয়, যে ভাৰত চুবুৰীয়া দেশসমূহলৈ সংশোধিত পেট্ৰ'লিয়ামজাত সামগ্ৰী ৰপ্তানি কৰা বৃহৎ ৰপ্তানিকাৰী দেশ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে বাংলাদেশে ভাৰতৰ পৰা ডিজেল আমদানি কৰাৰ বাবে অনুৰোধ জনাইছে আৰু এই সন্দৰ্ভত বিবেচনা কৰি থকা হৈছে। বাংলাদেশৰ জনসাধাৰণৰ প্ৰয়োজনীয়তা আৰু উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ নুমলিগড় শোধনাগাৰৰ পৰা ২০০৭ চনৰ পৰাই জলপথ, ৰেল আৰু ভাৰত-বাংলাদেশ মৈত্ৰী পাইপ লাইনৰ জৰিয়তে দেশখনলৈ ডিজেল সৰবৰাহ কৰি অহা হৈছে। ২০১৭ চনৰ অক্টোবৰত নুমলীগড় শোধনাগাৰ আৰু বাংলাদেশ পেট্ৰ'লিয়াম নিগমৰ মাজত হাই স্পীড ডিজেল সৰবৰাহৰ বাবে এখন চুক্তি স্বাক্ষৰ কৰা হৈছিল। তেওঁ লগতে কয়, যে চুবুৰীয়া দেশ শ্ৰী লংকা আৰু মালদ্বীপৰ পৰা পেট্ৰ'লিয়ামজাত সামগ্ৰী সৰবৰাহৰ বাবে অনুৰোধ আহিছে যদিও দেশৰ নিজৰ শক্তিৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই বিষয়ে বিবেচনা কৰি থকা হৈছে।

০০০০

২০২৫-২৬ বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত লোকসভাত আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত ৬১ খন মঞ্জুৰী অন্তৰ্ভুক্ত কৰা হৈছে। চৰকাৰে ইয়াৰ বাবে দুই লাখ ৮১ হাজাৰ কোটিতকৈও অধিক ধন অতিৰিক্ত খৰচৰ বাবে ধাৰ্য্য কৰিছে।

আলোচনাৰ আৰম্ভণিতে বিজেপিৰ সাংসদ জগদম্বীকা পালে কয়, যে পশ্চিম এছিয়াৰ সংঘৰ্ষজৰ্জৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বতে অনিশ্চয়তাৰ পৰিবেশ বিৰাজ কৰিছে। তেওঁ কয়, যে প্ৰতি বেৰেলত খনিজ

তেলৰ মূল্য ৮৮ ডলাৰৰ পৰা ১১৯ ডলাৰলৈ বৃদ্ধি পাইছে। সাৰ, গেছ আৰু পৰিবহনৰ ক্ষেত্ৰত ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰিব। সাংসদ শ্ৰী পালে কয়, যে বৰ্তমান সমস্যা জৰ্জৰ পৰিস্থিত এই পৰিপূৰক মঞ্জুৰীয়ে সমাধান দিব পাৰে। তেওঁ কয়, যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে খৰতকীয়া গতিত উন্নয়নমূলক  কামসমূহ আগবঢ়াই নিয়াৰ লগতে কৃষকক সকাহ দিয়াৰ উদ্দেশ্যে সাৰৰ ক্ষেত্ৰত ৰাজ সাহায্যৰ সুবিধা দিছে।

সমাজবাদী দলৰ সাংসদ ৰাম শিৰোমণি বাৰ্মাই নিবনুৱা সমস্যা আৰু কৃষকৰ আয় বৃদ্ধি সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয়, যে দেশৰ উন্নতি তেতিয়াহে সম্ভৱ হ'ব যেতিয়া সকলো ৰাজ্যই সমানেই উন্নতীৰ পথত আগবাঢ়ি যাব। শ্ৰী বাৰ্মাই সাংসদসকলৰ সমষ্টি উন্নয়নৰ পুঁজি বছৰেকত বৰ্তমানৰ পাঁচ কোটি টকাৰ পৰা ২৫ কোটি টকালৈ বৃদ্ধি কৰাৰ দাবী জনায়।

টি এম কেৰ সাংসদ গণপতি ৰাজকুমাৰে দেশত ৰন্ধন গেছৰ নাটনিৰ বিষয়টো উত্থাপন কৰে। টি ডি পিৰ সাংসদ ডাগুমাল্লা পি ৰাওৱে কয়, যে দেশ বিকশত ভাৰতৰ লক্ষ্যত গতি কৰিছে। তেওঁ কয়, যে কৃষি খণ্ডই অৰ্থনীতিত বৰঙণি আগবঢ়াইছে। শ্ৰী ৰাওৱে কয়, যে কৃষকক সমৰ্থন কৰাৰ উদ্দেশ্যে চৰকাৰে সাৰৰ ক্ষেত্ৰত ১৯ হাজাৰ কোটি টকাৰ ৰাজ সাহাৰ্য্য প্ৰদান কৰিব।

০০০০

ৰাজ্যসভাত আজি গ্ৰাম্য উন্নয়ন মন্ত্ৰালয়ৰ কাৰ্য্যাৱলী সন্দৰ্ভত আলোচনা কৰা হয়। বিজেপিৰ সাংসদ ড০ সংগীতা বলবন্তে কয়, যে ভাৰতৰ শক্তি গাঁওসমূহতে নিহিত হৈ আছে। তেওঁ কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে গাঁওসমূহক সৱল কৰি তোলাৰ লগতে গ্ৰাম্য এলেকাৰ লোকসকলকো শক্তিশালী কৰি তুলিছে। কংগ্ৰেছৰ শক্তি সিং গুইলে কয়, যে ভাৰতৰ আত্মা গাঁওসমূহত লুকাই আছে। তেওঁ কয়, যে গ্ৰাম্য এলেকাৰ জনসাধাৰণক সৱলীকৰণৰ বাবে এম জি এনৰেগা আঁচনিৰ সহায় লোৱা হৈছিল। কিন্তু বৰ্তমানৰ চৰকাৰে এই আঁচনিৰ অধীনত ধনৰাশি হ্ৰাস কৰি ৰাজ্য চৰকাৰসমূহৰ ওপৰত বোজা বৃদ্ধি কৰিছে।

০০০০

ভাৰতৰ খুচুৰা মুদ্ৰাস্ফীতি চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত  তিনি দশমিক দুই এক শতাংশলৈ বৃদ্ধি হয়। ২০২৪ ক ভিত্তি বৰ্ষ হিচাপে লৈ নতুন শৃংখলাত যোৱা জানুৱাৰী মাহত খুচুৰা মুদ্ৰাস্ফীতি দুই দশমিক ৭-৪ শতাংশ হয়। পৰিসংখ্যা আৰু আঁচনি ৰূপায় মন্ত্ৰালয়ে মুকলি কৰা তথ্য অনুসৰি গ্ৰাম্যঞ্চলৰ মুদ্ৰাস্ফীতি তিনি দশমিক ৩-৭ শতাংশ হোৱাৰ বিপৰীতে নগৰাঞ্চলত তিনি দশমিক ০-২ শতাংশ হয়। ভাৰতৰ খাদ্য উপভোক্তা মূল্য সূচাংক জানুৱাৰীত ২ দশমিক ১-৩ শতাংশ হোৱাৰ বিপৰীতে ফেব্ৰুৱাৰীত ৩ দশমিক ৪-৭ শতাংশলৈ বৃদ্ধি হয়।

০০০০

বাংলাদেশৰ জাতীয় সংসদ ভৱনত আজি ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে নতুনকৈ নিৰ্বাচিত অধ্যক্ষ আৰু উপাধক্ষ্যৰ শপতগ্ৰহণ কৰোৱায়। শাসনাধিষ্ঠিত বাংলাদেশ নেচনেলিষ্ট দলৰ নেতা হাফিজুদ্দিন আহমেদে বাংলাদেশৰ ত্ৰয়োদশ জাতীয় সংসদৰ অধ্যক্ষ আৰু কেশৰ কামালে উপাধ্যক্ষ হিচাপে শপতগ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে নতুন সংসদৰ উদ্বোধনীৰ বৈঠকত হাফিজুদ্দিন আহমেদক গৰিষ্ঠসংখ্যক ভোটেৰে অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। পূৰ্বে মন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱা কেশৰ কামালে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। প্ৰধানমন্ত্ৰী তথা সদনৰ নেতা তাৰিক ৰহমান তথা ভালেসংখ্য জ্যেষ্ঠ সদস্য এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে।

০০০০

বিশ্ব পেৰা এথলেটিক্স গ্ৰেণ্ড প্ৰী ২০২৬ৰ কালি উদ্বোধনীৰ দিনা ভাৰতীয় এথলিট সকলে সুন্দৰ আৰম্ভণি কৰিছে। পেৰা অলিম্পিক চেম্পিয়ন প্ৰবীন কুমাৰে পুৰুষৰ T-44 হাই জাম্পত এক দশমিক ৯-৬ মিটাৰেৰে সোণৰ পদক অৰ্জন কৰে। পুৰুষৰ T-42 হাই জাম্পত এক দশমিক ৮-৪ মিটাৰেৰে শৈলেষ কুমাৰে সোণৰ পদক লাভ কৰাৰ বিপৰীতে একে  শাখাতে ৰাম সিং ভাই পধিয়াৰে ৰূপ আৰু লোকেশ মান্ত্ৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ ডিছ্‌কাছ্ থ্ৰ’ৰ F11/F12 শাখাত মনুৱে সোণ আৰু প্ৰবীন শৰ্মাই ৰূপ আৰু সঞ্জয় ৰেড্ডী নিলমে ব্ৰঞ্জৰ পদক লাভ কৰে। মহিলাৰ ১০০ মিটাৰ দৌৰত প্ৰীতি পলে সোণৰ পদক লাভ কৰি ভাৰতলৈ গৌৰৱ কঢ়িয়াই আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ